समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

অৰ্থনীতি আৰু ৰাজনীতি খণ্ডৰ আগকথা

পাঠ - ২৪

গণতন্ত্ৰ আৰু প্ৰচাৰ মাধ্যম

অংশ – ৩
দৰ্শনা তালুকদাৰ

অনুশীলনী

১। চমু উত্তৰ লিখা —

(ক) প্রচাৰ মানে কি?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ প্ৰচাৰ বুলিলে যিকোনো খবৰ, আদেশ, অনুদেশ, উপদেশ আদি এজনৰ পৰা আনজনলৈ, এখন ঠাইৰ পৰা আন এখন ঠাইলৈ সম্প্ৰসাৰিত হোৱাকে বুজায়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) প্ৰচাৰ মাধ্যমৰ বিভিন্ন ভাগসমূহ কি কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ প্ৰচাৰ মাধ্যম দুই প্ৰকাৰৰ - মুদ্ৰিত মাধ্যম আৰু ইলেকট্ৰনিক মাধ্যম।



(গ) গণমাধ্যম কাক কয়? উদাহৰণ দিয়া।



উত্তৰঃ প্ৰচাৰ মাধ্যমৰ ভিতৰত যিবোৰ মাধ্যমে অতি কম সময়ৰ ভিতৰত বহুলোকৰ মাজত খৱৰ-বাতৰিসমূহ সম্প্ৰচাৰ কৰিব পাৰে, সেইবোৰকে গণমাধ্যম বুলি কোৱা হয়। যেনে - চলচ্চিত্ৰ, বাটৰ নাট, পুতলা নাচ, নাটক, গীত - মাত আদি।



(ঘ) প্ৰাচীন কালত ব্যৱহৃত দুই প্ৰকাৰৰ প্ৰচাৰ মাধ্যম কি কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ প্ৰাচীন কালত ঢোল পিটি, কাঁহ - ঘণ্টা বজাই প্ৰচাৰ কাৰ্য চলাইছিল।



(ঙ) ছপাশাল পোন প্ৰথমে কোনে আৰু কেতিয়া আৱিষ্কাৰ কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ১৬শ শতিকাত জার্মানীৰ জোহান গুটেনবার্গে ছপাশাল আৱিষ্কাৰ কৰিছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। উত্তৰ লিখা —

(ক) প্ৰচাৰ মাধ্যমসমূহ কেইপ্ৰকাৰ আৰু কি কি? সেই মাধ্যমসমূহে জনসাধাৰণক কেনেধৰণে সহায় কৰে?



উত্তৰঃ প্রচাৰ মাধ্যম দুই প্রকাৰৰ-মুদ্রিত আৰু ইলেকট্রনিক। মুদ্রিত প্রচাৰ মাধ্যম সমূহ হ'ল বাতৰিকাকত, আলোচনী, কিতাপ আদি।

ইলেকট্রনিক মাধ্যমসমূহ হ'ল- ৰেডিঅ', টেলিফোন, ম'বাইলফোন, দূৰদর্শন, কম্পিউটাৰ, কৃত্রিম উপগ্রহ আদি। মুদ্রিত আৰু ইলেকট্রনিক প্রচাৰ মাধ্যমসমূহৰ ফলত মানুহে ৰাজনৈতিক, অর্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি দিশত যথেষ্ট জ্ঞান অর্জন কৰিব পাৰে । তদুপৰি এই মাধ্যমসমূহে মানুহক শিল্প, সাহিত্য চর্চাৰ সুবিধাও প্রদান কৰিছে। মানুহৰ মাজত অন্তর্নিহিত হৈ থকা প্রতিভাৰ বিকাশত প্রচাৰ মাধ্যমৰ অৱদান উল্লেখনীয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰচাৰ মাধ্যমৰ ভিতৰত কিছুমান মাধ্যমৰ পৰিসৰ ব্যাপক যিবোৰে অতি কম সময়ৰ ভিতৰত বহুলোকৰ মাজত খৱৰ বাতৰিসমূহ সম্প্ৰচাৰ কৰিব পাৰে। সেইবোৰক গণমাধ্যম বুলি কোৱা হয়। এই মাধ্যমসমূহে মানুহৰ মাজত সচেতনতা, জাগৰণ, কৌতুহল, উদ্বিগ্নতা আদিৰ সৃষ্টি কৰে। মুদ্ৰিত আৰু ইলেকট্ৰনিক মাধ্যমসমূহৰ বাহিৰেও চলচ্চিত্ৰ, নাটক, বাটৰ নাট, পুতলা নাচ, গীত-মাত, কবিতা আদিও একো একোটা গণমাধ্যম যি বোৰে মানুহক সহজে আকৰ্ষিত আৰু অনুপ্ৰাণিত কৰিব পাৰে। আমাৰ দেশৰ স্বাধীনতা আন্দোলনত এই গণমাধ্যম সমূহে ব্ৰিটিছৰ বিৰুদ্ধে সমগ্ৰ ভাৰতবাসীক একত্ৰিত কৰাত যথেষ্ট অৰিহণা যোগাইছিল।

(খ) গণতন্ত্ৰ সবলীকৰণত প্ৰচাৰ মাধ্যমে কেনেধৰণে প্ৰভাৱ পেলায়?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ গণতন্ত্রত চৰকাৰ আৰু ৰাইজৰ মাজৰ যোগসূত্র হৈছে প্রচাৰ মাধ্যম। জনমত গণতান্ত্রিক শাসন ব্যৱস্থাৰ বুনিয়াদস্বৰূপ। জনমত প্রকাশত প্রচাৰ মাধ্যমেই সদায় আগভাগ লয়। সংবাদপত্র, ৰাজহুৱা সভা-সমিতি, ৰাইজ মেল, নাটক, কথাছবি, সাহিত্য-আলোচনী, শিক্ষানুষ্ঠান আদি প্রচাৰ মাধ্যমসমূহৰ লগতে বিধানমণ্ডল, ৰাজনৈতিক দল আদিও জনমত গঠনৰ একো একোখন মঞ্চ। চৰকাৰ গঠন কৰা, ভংগ কৰা, চৰকাৰী কাম-কাজত পৰামর্শ, অভিযোগ, মতামত, সমালোচনা আগবঢ়োৱা আদি কার্যসমূহ প্রচাৰ মাধ্যমৰ জৰিয়তে সম্ভৱ হয়।

তদুপৰি সময়ে সময়ে সমাজত গঢ় লৈ উঠা বিভিন্ন গণমুখী সামগ্রিক কল্যাণৰ আন্দোলন আৰু জন জাগৰণসমূহৰ সপক্ষে জনসাধাৰণক সচেতন কৰাত প্রচাৰ মাধ্যমসমূহেই আগভাগ লয়। সততা আৰু নিষ্ঠা গণতন্ত্রৰ মূল ভেটিস্বৰূপ। এই ভেটি সুদৃঢ় কৰাৰ ক্ষেত্রত প্রচাৰ মাধ্যমেই মুখ্য ভূমিকা গ্রহণ কৰে। নির্বাচনত জনসাধাৰণৰ অংশগ্রহণ, ভোটাধিকাৰ সাব্যস্তকৰণ, দায়িত্বশীল প্রতিনিধি নির্বাচন আদি কার্যবোৰত প্রচাৰ মাধ্যমৰ ভূমিকা অতি গুৰুত্বপূর্ণ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৩। খালী ঠাই পূৰ কৰা —

(ক) যোগাযোগ ব্যৱস্থাৰ লগত জড়িত সকলো উপাদানেই প্ৰচাৰৰ একোটা একোটা মাধ্যম।

(খ) মানুহৰ মাজত অন্তর্নিহিত হৈ থকা প্ৰতিভাৰ বিকাশত প্ৰচাৰ মাধ্যমৰ অৱদান উল্লেখনীয়।

(গ) জোহান গুটেনবাৰ্গে ছপাশাল আৱিষ্কাৰ কৰিছিল।

(ঘ) কম্পিউটাৰক অসমীয়াত পৰিকল্পন যন্ত্র বুলি কোৱা হয়।

(ঙ) গণতন্ত্রত চৰকাৰ আৰু ৰাইজৰ মাজৰ যোগসূত্র হৈছে প্রচাৰ মাধ্যম।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। শুদ্ধ উত্তৰটো বাছি উলিওৱা —

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাক ৰূপকোঁৱৰ / সৈনিক শিল্পী বুলি কোৱা হয়।

(খ) অতীজত ৰজাই প্ৰজাক বাতৰি দিবৰ বাবে মাইক / ঢোলৰ সহায় লৈছিল।

(গ) মুদ্ৰিত মাধ্যমসমূহ হ'ল ৰেডিঅ' / কিতাপ।

(ঘ) অনাতাঁৰ যন্ত্ৰৰ আৱিষ্কাৰক আৰ্কিমিডিছ / মাৰ্কনি।

(ঙ) ইলেকট্ৰনিক মাধ্যম হ'ল বাতৰিকাকত / কম্পিউটাৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। প্ৰকল্প —

তোমালোকৰ অঞ্চলত দেখা কেইখনমান চৰকাৰী বিজ্ঞাপনৰ ফলক চাই আঁচনিকেইখনৰ নাম তালিকাভুক্ত কৰা। আঁচনিবোৰৰ অধীনত চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে শিক্ষক-অভিভাৱকৰ লগত আলোচনা কৰি একোটিকৈ টোকা লিখা।